# 2017

## ASSAMESE

## ( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) কালিৰাম মেধিৰ সম্পাদনাত প্ৰকাশিত অংকীয়া নাটৰ সংকলনটোৰ নাম লিখা।

(খ) 'কুটু' ভাৰতবৰ্ষৰ কোন ৰাজ্যৰ লোকনাট্যানুষ্ঠান?

(গ) 'ভূষণ হৰণ' কাৰ ৰচনা?

(ঘ) "কৃষ্ণবীৰ অসমীয়াৰ বৰবোপা, ডেকা তেজত গুৰু গোসাঁই নমনা মইমতীয়া ডেকা।" এইষাৰ কাৰ উক্তি?

(ঙ) ধৌম্য কোন?

(চ) 'জন্মযাত্ৰা' নাটৰ সূত্ৰ আৰু বচনসমূহৰ ক্ষেত্ৰত গোপাল আতা কোনখন গ্ৰন্থৰ ওপৰত নিৰ্ভৰশীল?

(ছ) কুণ্ডিল যাত্ৰাকালত কৃষ্ণৰ ৰথচালকজনৰ নাম কি আছিল?

২। *এটা* বা *দুটা* বাক্যত উত্তৰ দিয়া : ২×৪=৮

(ক) মুক্তিমংগল ভটিমা কি?

(খ) "কৰ শাৰঙ্গ শৰ ধাৰু"—ইয়াত উল্লেখিত 'কৰ' আৰু 'শাৰঙ্গ' শব্দ দুটাৰ অৰ্থ লিখা।

(গ) 'সুভদ্ৰা হৰণ' নাটত উল্লেখ থকা অৰ্জুনৰ অন্য দুটা নাম লিখা।

(ঘ) "আহে ভোজৰাজা, বসুদেৱক পুত্ৰ নাহি মাৰল॥" এই কথাষাৰ কোনে, কাৰ আগত ব্যক্ত কৰিছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) মুনি মুখে ৰূপ গুণ, শুনি মনে সখি বৰি,
মিলল হামাৰি পতি আশা।
অৱবিধি ভেলি বাম বৈৰি মেৰি ভৈয়া ৰাম
সোহি আশা কয়লি নৈৰাশ॥

(খ) আহে বিধাতা, পৰম দেৱকু দেৱতা, সকল জগত সৃষ্টি কৰতা, হামাক ধৰ্ম অৰ্থ কাম মোক্ষ সকল সাধন হেতু নিৰ্মাণ কয়ল, সোহি ধৰ্ম দুষ্ট দৈত্য দানৱে দূৰ কয়ল তাহেৰ ভাৰ সহিতে নপাৰি, হামু অধোগতি যাওঁ, তোহাৰ আগে কি কহবো॥

(গ) আৰকত অধৰ বয়নে ৰুচি হাস।
আয়ত নয়ন পঙ্কজ পৰকাশ॥
কৰযুগ কঙ্কণ কেয়ুৰ ৰঞ্জে।
পঙ্কজ চৰণ ভকত ভয় ভঞ্জে॥

(ঘ) অঃ হামু বিদ্যমান থাকিতে কাহেক ভয়
থিক, হে ৰাজা সব, ক্ষত্রিয়ৰ ব্যৱহাৰ
নোহে নিৰ্ভয়ে ৰহ, নিৰ্ভয়ে ৰহ॥

(ঙ) মহা মহা যোগীজনে পৰম নিৰ্মল মনে
চিন্তিয়া নপাৱে লাগ যাৰে।
সৱাৰো আতমা হৰি হাতে গোপী লৰু ধৰি
ধায়া ফুৰে তাৰে মাৰিবাৰে॥

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **তিনিটা**) : ১০×৩=৩০

(ক) 'ৰুক্মিণী হৰণ' আৰু 'অৰ্জুন ভঞ্জন' নাট দুখনৰ আলমত শংকৰদেৱ আৰু মাধৱদেৱৰ নাট্যৰীতিৰ পাৰ্থক্য বিচাৰ কৰা।

(খ) শ্ৰীৰাম আতাৰ সাহিত্যিক প্ৰতিভাৰ বিষয়ে উল্লেখ কৰি 'সুভদ্ৰা হৰণ' নাটৰ সংলাপ আৰু গীত সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) শংকৰোত্তৰ যুগৰ নাট হিচাপে 'জন্মযাত্ৰা' নাটৰ এক বিশ্লেষণ আগবঢ়োৱা।

(ঘ) মূলৰ পৰা আঁতৰি আহি মাধৱদেৱে 'অৰ্জুন ভঞ্জন' নাটত চৰিত্ৰসমূহ কিদৰে স্বকীয় ৰূপত সজাই তুলিছে, উদাহৰণসহ আলোচনা কৰা।

(ঙ) ''ৰুক্মিণীৰ প্ৰেমৰ সুঁতিক ভক্তিস্রোতে প্ৰৱল বেগে বোৱাই নি কৃষ্ণ-সমুদ্ৰত মিলাই দিছে।'' 'ৰুক্মিণী হৰণ' নাটৰ আলমত কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

(চ) অংকীয়া নাটৰ প্ৰধান বিশেষত্বসমূহ বিশদভাৱে আলোচনা কৰা।

★★★

# 2017

## ASSAMESE

## ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ কেতিয়া হৈছিল?

(খ) কোনখন গ্ৰন্থত পোনপ্ৰথমে প্ৰাকৃত ভাষাৰ শিষ্ট ৰূপত প্ৰয়োগ ঘটে?

(গ) 'অভিজ্ঞানশকুন্তলম্' নাটকৰ ৰক্ষীদ্বয় আৰু ধীবৰৰ মুখত কি প্ৰাকৃত ব্যৱহাৰ কৰা হৈছে?

(ঘ) পালি ভাষাৰ লিখিত ৰূপে কোন সময়ত আত্মপ্ৰকাশ কৰে?

(ঙ) 'সন্দেশৰাসক' কাব্য সৰ্বমুঠ কিমানটা গাথাৰ সমষ্টি?

(চ) প্ৰাকৃতত ৰচনা কৰা প্ৰথম নাটকখনৰ নাম কি?

(ছ) অবহট্‌ঠত ৰচনা কৰা এখন গ্ৰন্থৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) বৌদ্ধ ধৰ্মৰ চতুৰাৰ্য সত্য কি কি?

(খ) 'কৰ্পূৰমঞ্জৰী'ৰ উপৰিও ৰাজশেখৰে ৰচনা কৰা দুখন নাটকৰ নাম লিখা।

(গ) ক্ৰান্তিস্তৰৰ প্ৰাকৃত বুলিলে কি বুজা?

(ঘ) 'অপ্‌পমাদ' শব্দৰ অৰ্থ কি?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) সংস্কৃত নাটকৰ ভাষিক বৈচিত্ৰ্য সম্পৰ্কে 'অভিজ্ঞানশকুন্তলম্' নাটকৰ আধাৰত বিশ্লেষণ কৰা।

(খ) 'সন্দেশৰাসক' কাব্যখনৰ নামৰ সাৰ্থকতা বিচাৰ কৰা।

(গ) 'প্ৰাকৃত' নামৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) 'ধম্মপদ'ত বৌদ্ধ ধৰ্মৰ আদৰ্শ কেনেদৰে প্ৰতিফলিত হৈছে? তোমাৰ পাঠ্যৰ আধাৰত বিচাৰ কৰা।

(ঙ) অবহট্‌ঠ ভাষাৰ ভাষিক বৈশিষ্ট্য লিখা।

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) সট্টক ৰূপে 'কৰ্পূৰমঞ্জৰী' বিচাৰ কৰাৰ লগতে নাটকখনৰ ভাষা সম্পৰ্কেও আলোচনা কৰা।

(খ) মহাৰাষ্ট্ৰী প্ৰাকৃতক আদৰ্শ প্ৰাকৃত বোলাৰ কাৰণ কি? ইয়াৰ ভাষিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা।

(গ) ভাৰতীয় আৰ্যভাষাৰ কোনটো স্তৰক 'প্ৰাকৃত' নামেৰে অভিহিত কৰা হৈছে? এই স্তৰৰ ভাষাগত বিশেষত্ব বিচাৰ কৰা।

(ঘ) অবহট্‌ঠ সাহিত্যৰ শ্ৰেণীবিভাজন কৰি 'সন্দেশৰাসক'ৰ স্থিতি নিৰ্ণয় কৰা আৰু গ্ৰন্থখনৰ বিষয়বস্তু আলোচনা কৰা।

(ঙ) পালি আৰু প্ৰাকৃত ভাষাৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা।

★★★

# 2017

## ASSAMESE

( Major )

Paper : 5.5

**( Sahitya Samalochana )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) ৰুদ্ৰতৰ মতে ৰসৰ সংখ্যা কেইটা?

(খ) 'শম' এবিধ স্থায়ী ভাব—এই ভাবৰ পৰা উপলব্ধ ৰস কি হ'ব পাৰে?

(গ) বিশ্বনাথৰ মতে সাত্ত্বিক ভাব কেইটা?

(ঘ) 'আৰ্ছ পয়েটিকা' নামৰ পুথিখনৰ গ্ৰন্থকাৰজন কোন আৰু তেওঁ কোন দেশৰ?

(ঙ) ইংৰাজী সাহিত্যত ৰমণ্যাসবাদৰ সূচনা কৰা গ্ৰন্থখনৰ নাম আৰু প্ৰকাশকাল উল্লেখ কৰা।

(চ) প্ৰথম আধুনিক অসমীয়া নাটকখনৰ নাম কি আৰু ৰচকজন কোন?

(ছ) 'অধিবাস্তৱবাদ' (Surrealism)ৰ নেপথ্যত তিনিজন বিশিষ্ট চিন্তাবিদ-দাৰ্শনিকৰ প্ৰভাৱ দেখা যায়—অন্ততঃ দুজনৰ নাম উল্লেখ কৰা।

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) বিভাব কি আৰু কেই প্ৰকাৰৰ?

(খ) এৰিষ্ট'ট'লৰ ট্ৰেজেদিৰ সংজ্ঞা মতে ট্ৰেজেদিৰ দুটা বিশিষ্ট লক্ষণ উল্লেখ কৰা।

(গ) 'ঔপন্যাসিকৰ জীৱন দৰ্শন' মানে কি?

(ঘ) 'প্ৰতীকবাদ'ৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

৩। (ক) সাহিত্যত কোনবিধ ৰসক শ্ৰেষ্ঠ ৰস বুলি কোৱা হয়? আলংকাৰিকসকলে দিয়া ভিন্ন মতৰ আধাৰত এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

*অথবা*

(খ) এৰিষ্ট'ট'লৰ 'অনুকৰণ-তত্ত্ব' (Memesis) সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

৪। (ক) ৰমণ্যাসবাদ (Romanticism)ত 'কল্পনা' (Imagination)ৰ স্থান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) পাশ্চাত্য আৰু অসমীয়া সাহিত্যৰ নিদৰ্শনসহ 'চিত্ৰকল্পবাদ'ৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

৫। (ক) মেথ্যু আৰ্নল্ডৰ ‘কবিতা জীৱনৰ সমালোচনা’ (Poetry is the criticism of life) কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰা। ১০

অথবা

(খ) চুটিগল্পত পৰিবেশ সৃষ্টিৰ গুৰুত্ব সম্পৰ্কে উপযুক্ত উদাহৰণসহ এটি সমালোচনামূলক টোকা প্ৰস্তুত কৰা।

৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ভৰত মুনিৰ ৰসৰ সূত্ৰ

(খ) লঙ্গিনাচৰ দৃষ্টিত সাহিত্যৰ প্ৰকাশভঙ্গী

(গ) মহাকাব্যৰ ভাষা

(ঘ) আধুনিক নাটকত প্ৰতীক

(ঙ) চুটিগল্প আৰু উপন্যাসৰ প্ৰধান পাৰ্থক্য

★★★